6th Semester
Sub: Education (M)
Paper: 6.5

Kabita Medhi
Asstt Professor
Dept. of Education
Mayang Anchalik College

Q: What is co-curricular activity? Types of co-curricular activities and what are the organizing principles of co-curricular activities?

সহ-পাঠ্যক্ৰমিক কাৰ্যসূচী কি? ইয়াৰ বিভিন্ন প্ৰকাৰ সমূহ কি কি? সহ পাঠ্যক্ৰম আচনিৰ সংগঠনৰ নীতিসমূহ কি কি?

Ans:- সহ-পাঠ্যক্ৰম বুলিলে সাধাৰণতে পাঠ্যক্ৰমৰ বিষয় সমূহৰ লগে লগে শিশুৰ শাৰীৰিক, মানসিক তথা আধ্যাত্মিক উৎকৰ্ষ সাধনৰ বাবে যিবোৰ বিষয় সন্নিবিষ্ট কৰা হয় তাক বুজা হয়। অকল পুথিগত বিদ্যাৰ ওপৰত গুৰুত্ব আৰোপ কৰিলে শিক্ষাৰ্থীসকলৰ সৰ্বাংগীন বিকাশ সম্ভৱ নহয়। অৰ্বাচীন শিক্ষাৰ মূল লক্ষ্য হ'ল শিশুসকলৰ সৰ্বাংগীন বিকাশৰ বাবে প্ৰস্তুত কৰি তোলা। বৰ্তমান শিক্ষাৰ মূল উদ্দেশ্য হৈছে শিশুসকলৰ ভিতৰত অন্তৰ্নিহিত হৈ থকা গুণ সমূহ বিকশিত কৰা। শিশুসকলৰ ব্যক্তিত্ব গঠনত শাৰীৰিক, মানসিক, সামাজিক, আধ্যাত্মিক সকলো দিশৰ বিকাশে সহায় কৰে। গতিকে পাঠ্যপুথিৰ জ্ঞানৰ দ্বাৰা মানসিক শক্তিৰ বিকাশ সাধন কৰাৰ লগতে শিক্ষাৰ্থীৰ দেহ, সামাজিক

Scanned by CamScanner

আৰেন, কৰ্মবৃত্তিৰ উৎকৰ্ষ সাধন কৰাৰ পৰাও বিশেষভাৱে প্ৰয়োজন। এনে গণতান্ত্ৰিক সমাজৰ উপযুক্ত নাগৰিক হিচাপে শিক্ষাৰ্থীক গঢ়ি তুলিবলৈ হ'লে প্ৰত্যেক বিদ্যালয়তে কিছু পৰিমাণে শাৰীৰিক চৰ্চাৰ সুযোগ দিয়া বিশেষভাৱে প্ৰয়োজন।

এনে কৰ্মমূলক আৰু গঠনমূলক কাৰ্য্যক আগতে নিষ্প্ৰয়োজন বুলি ভবা হৈছিল। সেই বাবে এইবোৰক বহিৰ্ভূত কাৰ্যাৱলী বুলি অভিহিত কৰা হৈছিল। কিন্তু আধুনিক শিক্ষাৰ মনোবৈজ্ঞানিক দৃষ্টিভংগীৰে বিদ্যালয়ৰ সময় পাঠ্যসূচীৰ লগত এনেবোৰ কৰ্মসূচী অন্তৰ্ভুক্ত কৰা হৈছে। পাঠ্যসূচীৰ পৰিপূৰক হিচাপে পৰিগণিত হৈ পাঠ্যক্ৰমৰ সমানেই মৰ্যাদা লাভ কৰা বাবে এইবোৰ কৰ্মসূচীক বৰ্তমান সহপাঠ্যক্ৰমিক বিষয় হিচাপে জনা যায়। আধুনিক বাস্তৱ শিক্ষাক জীৱনৰ গতি হিচাপে ধৰা হৈছে আৰু সেই গতিধাৰাতেই শিক্ষাক জীৱনৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত কৰি লোৱা হৈছে। সেয়েহে দেখা যায়, পাঠ্যক্ৰমৰ লগতে শাৰীৰিক, সামাজিক, সাংস্কৃতিক আৰু নৈতিক তথা আধ্যাত্মিক শিক্ষা শিক্ষাৰ্থীসকলৰ বাবে অতি প্ৰয়োজন।

## সহপাঠ্যক্ৰম কাৰ্যাৱলীৰ প্ৰকাৰ

বৰ্তমান শিক্ষাৰ ক্ষেত্ৰত বিভিন্ন ধৰণৰ সহপাঠ্যক্ৰমিক বিষয় অন্তৰ্ভুক্ত কৰা হৈছে। সেই বিষয়ৰ তলত চমুকৈ আলোচনা কৰা হ'ল।

১। শাৰীৰিক কাৰ্যক্ৰম :- শিক্ষাৰ্থীৰ দৈহিক উৎকৰ্ষ সাধনৰ কাৰণে বিদ্যালয়ত ছাত্ৰ ছাত্ৰীসকলৰ

Scanned by CamScanner

বাবে খেলা-ধূলাৰ ব্যৱস্থা কৰা অতি দৰকাৰ। ফুটবল, ক্ৰিকেট, বেডমিণ্টন, হকি, কেৰম, লুডু, দৌৰ, ভলীবল, চাইকেল চলোৱা, ব্যায়াম, যোগাসন আদি অন্তৰ্ভুক্ত কৰাটো বাঞ্ছনীয়। এইবোৰ খেলা-ধূলাৰ মাধ্যমত ছাত্ৰই শাৰীৰিক শক্তিৰ উৎকৰ্ষ সাধন কৰাৰ লগে লগে নানা ধৰণৰ প্ৰত্যক্ষ শিক্ষা লাভ কৰে।

২/ মানসিক কাৰ্যাৱলী:- মানসিক উৎকৰ্ষ সাধনৰ বাবে বক্তৃতা, আকস্মিক বক্তৃতা, তৰ্ক প্ৰতিযোগিতা, আলোচনা চক্ৰ, আলোচনী আদি প্ৰকাশৰ ব্যৱস্থা কৰিব লাগে। কিয়নো এনেবোৰ কাৰ্যত নিযুক্ত হৈ নিজৰ প্ৰতিভা আৰু সৃজনী শক্তি বিকাশ কৰিবলৈ সুযোগ পায়।

৩/ সাংস্কৃতিক কাৰ্যক্ৰম:- নৃত্য-গীত, নাট্যাভিনয় আবৃত্তি আদি সাংস্কৃতিক অনুষ্ঠানৰ দ্বাৰাও শিক্ষাৰ্থীৰ চিন্তা, অনুভৱ আৰু শক্তিৰ বিকাশ লাভ কৰিবলৈ সক্ষম হয়।

৪/ সৌন্দৰ্যবোধৰ কাৰ্যক্ৰম:- শিক্ষাৰ্থীৰ মনত সৌন্দৰ্যবোধৰ বিকাশৰ বাবে বিদ্যালয় চৌহদ চাফ-চিকুণ কৰা, চিত্ৰাংকন, ড্ৰইং, মডেল আদি প্ৰস্তুত কৰণৰ ব্যৱস্থাও ~~কৰিব~~ কৰিব পাৰি।

৫/ সমাজ কল্যাণমূলক কাৰ্যক্ৰম:- শিক্ষাৰ্থী সকলৰ ব্যক্তিগত বিকাশৰ লগতে সামাজিক বিকাশৰ ব্যৱস্থা সহ পাঠ্যক্ৰমৰ কামৰ দ্বাৰা কৰিব পাৰা যায়। বিভিন্ন সমাজ কল্যাণমূলক কাৰ্যাৱলী যেনে ৰাস্তা-ঘাট নিৰ্মাণ, বন্যাৰ্তী আৰু বানপানীৰ সময়ত সাহায্য

Scanned by CamScanner

প্ৰধান অংগ সেৱা আনৰ যোগ্য। এনেবোৰ কাৰ্যৰ যোগেদি সমাজ প্ৰীতি, দেশপ্ৰেম, ত্যাগৰ ভাৱ শিক্ষাৰ্থীৰ মনত গঢ়ি উঠে।

৬/ ভ্ৰমণমূলক কাৰ্যসূচী :– ঐতিহাসিক ঠাইত ভ্ৰমণ, স্কাউট, গাইড আৰু অন্যান্য কাৰ্যসূচীৰ দ্বাৰা শিক্ষাৰ্থীয়ে পাঠ্যপুথিৰ জ্ঞান সংগ্ৰহ কৰাৰ লগতে জীৱনত আদৰ্শ সৃষ্টি আৰু চৰিত্ৰ গঠন কৰিবলৈ সুযোগ পায়। ইয়াৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিত্বৰ বিকাশ আৰু দৃষ্টিভংগীৰ প্ৰসাৰতা বৃদ্ধি পায়।

৭/ হবি ক্লাব :– বৰ্তমান শিক্ষা ব্যৱস্থাত হবি ক্লাববিলাকে বিশেষ প্ৰাধান্য লাভ কৰিছে। হবি ক্লাবৰ উদ্দেশ্য হ'ল অৱসৰ সময়ৰ সদ্ব্যৱহাৰৰ বাবে ছাত্ৰক সুবিধা দিয়া। হবি ক্লাবত খেলা-ধূলা, নৃত্য-গীত, বিতৰ্ক, অভিনয়, ফটোগ্ৰাফী, টিকট সংগ্ৰহ ইত্যাদিৰ সুবিধা থাকে।

৮/ অন্যান্য কাৰ্যাৱলী :– ওপৰোক্ত কাৰ্যবোৰৰ বাহিৰেও শিক্ষাৰ্থীৰ জ্ঞানত ক্ষমতাৰ বিকাশ সাধনৰ বিভিন্ন কাৰ্য কলাপ যেনে– কলা প্ৰদৰ্শনী, প্ৰাৰ্থনা সভা, বিভিন্ন সামাজিক উৎসৱ উদযাপন, জন্মদিন আদি পালন কৰাৰ ব্যৱস্থা কৰিব লাগে। লগতে সমবায়, ক্যান্টিন, গাৰ্ডেন বা নগৰ জীৱনৰ আহিও দেখুৱাব পাৰি।

সহপাঠ্যক্ৰমৰ কাৰ্যাৱলী সংগঠনৰ নীতিসমূহ :-

Scanned by CamScanner

ইয়াৰ অধিৱেশনে ছাত্ৰৰ প্ৰতি থকা শিক্ষানুষ্ঠানৰ দায়িত্ব আৰু কৰ্তব্য ক্ষেত্ৰতো সম্পূৰ্ণ হৈ উঠিব লাগিব। তাৰোপৰি লক্ষ্য আৰু উদ্দেশ্যবিহীন তথা অপৰিকল্পিত আৰু বিশৃংখলতাৰে এই কাৰ্যাৱলী সমূহ আয়োজন কৰিলে তাৰ পৰা সুফল আশা কৰিব নোৱাৰি। সেয়েহে শিক্ষক আৰু শিক্ষা কৰ্তৃপক্ষই স্কুলৰ সহ-পাঠ্যক্ৰম কাৰ্যসূচীবোৰৰ সুফল লাভ কৰিবলৈ হলে কেইটামান বিশেষ নীতি প্ৰতি লক্ষ্য ৰাখিব লাগিব। যেনে

১। সহ-পাঠ্যক্ৰমৰ বিষয় নিৰ্বাচনত গণতান্ত্ৰিক নীতি অৱলম্বন কৰিব লাগিব। সকলো ছাত্ৰ-ছাত্ৰীয়ে যাতে সুযোগৰ এনে কাৰ্যসূচীত অংশ গ্ৰহণ কৰিব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব আৰু কোনো ধৰণৰ হেঁচা প্ৰয়োগ কৰিব নালাগিব।

২। এনে কাৰ্যৰ দ্বাৰা শিক্ষাৰ্থীৰ প্ৰকৃতিগত ভিন্নতাক স্বীকৃতি দিব লাগিব।

৩। সকলো শিশুকে সামূহিক কাৰ্যত অংশ গ্ৰহণত কৰিবলৈ উৎসাহ প্ৰদান কৰিব লাগিব

৪। সহ পাঠ্যক্ৰমৰ কাৰ্যসূচী নিৰ্বাচন কৰোঁতে শিক্ষাৰ্থীৰ বয়সৰ কথাটো বিবেচনা কৰা উচিত

৫। এনে কাৰ্যাৱলী যাতে ব্যয় বহুল নহয় তাৰ প্ৰতিও লক্ষ্য ৰাখিব লাগিব।

৬। বৃহৎ আদৰ্শৰ ভেটিত এনে পাঠ্যক্ৰম ৰচিত হব লাগিব।

৭। সহ পাঠ্যক্ৰমৰ কাৰ্যসূচী সমূহত শিক্ষকে সক্ৰিয়ভাৱে অংশ গ্ৰহণৰ যোগেদি ছাত্ৰ-ছাত্ৰী

Scanned by CamScanner

সকলোকে উৎসাহিত কৰিব লাগে।

৮/ সহ-পাঠ্যক্ৰমৰ কাৰ্যাৱলীৰ সঠিক ৰূপায়ণৰ বাবে স্কুলৰ বৈষয়িক অৱস্থা আৰু পৰিৱেশ উন্নত কৰি তুলিব লাগে।

৯/ সহ পাঠ্যক্ৰমৰ কাৰ্যাৱলী সমূহ ছাত্ৰ-ছাত্ৰী সকলৰ পাঠ্যক্ৰমৰ কাৰ্যাৱলীৰ সৈতে প্ৰতিবন্ধকৰ সৃষ্টি নকৰে তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে।

১০/ সহ-পাঠ্যক্ৰমৰ কাৰ্যসূচীসমূহ ছুটিৰ অৱসৰ সময়ৰ সদ্ব্যৱহাৰ কৰি পাৰ্যমানে অনুষ্ঠিত কৰিব লাগে। ইয়াৰ সময় সম্পৰ্কতেও সঞ্চালনৰ প্ৰতি শিক্ষক কতৃপক্ষই বিশেষ তৎপৰতা অৱলম্বন কৰিব লাগে।

সৰ্বশেষত কব পাৰি যে সহ পাঠ্যক্ৰমৰ কাৰ্যসূচী সমূহ এনেধৰণে নিৰ্বাচন কৰিব লাগে যাতে এনে কাৰ্যসূচী সমূহে ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰিব পাৰে। শিক্ষক সকলৰ সহযোগিতাইহে শিক্ষাৰ্থী সকলক প্ৰেৰণা যোগাব পাৰে। ইয়াৰ বাবে প্ৰয়োজন সাপেক্ষে শিক্ষক সকল প্ৰশিক্ষণ প্ৰাপ্ত হোৱাটো বাঞ্ছনীয়।

Scanned by CamScanner